**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-10-2025 **Time :** 1205Hrs.

## <u>Assamese Midday Bulletin</u>

০০০০০০০

এগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হয়। আজি দিনৰ এঘাৰ বজাত গুৱাহাটীৰ ৰাজভৱনত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই বি পি এফ দলৰ চৰণ বড়োক কেবিনেট মন্ত্ৰীৰূপে শপত বাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে এন ডি এ বিকশিত অসমৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। বড়োভূমিৰ শান্তি, প্ৰগতি আৰু সমাজৰ সকলো শ্ৰেণীৰ সমন্বয়ৰ বাবে সকলোৰে লগলাগি চেষ্টা চলাই যাব বুলি তেওঁ মন্তব্য কৰে।

বাইট .....

উল্লেখযোগ্য যে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফ দলে সদ্যসমাপ্ত বিটিচি নিৰ্বাচনত অভূতপূৰ্ব সফলতা লাভ কৰাৰ পাছত দলটো শাসনাধিস্থিত এন ডি এ মৰ্চাত যোগ দিয়া সন্দৰ্ভত প্ৰচুৰ সম্ভাৱনাৰ সৃষ্টি হৈছিল। পৰৱৰ্তী বিধানসভা নিৰ্বাচনলৈ ছমাহতকৈ কম সময় বাকী থকা অৱস্থাত অসম মন্ত্ৰীসভাৰ আজিৰ এই সম্প্ৰসাৰণ ৰাজনৈতিকভাৱে বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০০০০

আজি কাতি বিহু। আহিন আৰু কাতিৰ দোমাহীৰ দিনা কাতি বিহু পালন কৰি কৃষকসকলে শস্য শ্যামলা পথাৰৰ আশাৰে প্ৰাৰ্থনা জনায়। এই কাতি বিহু হৈছে অসমৰ জাতীয় উৎসৱ তিনি বিহুৰ অন্যতম। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে তুলসী তলৰ বন্তিগছিয়ে সকলোলৈকে সুখ সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে কৃষকৰ আশাৰ ধাননিডৰা সোণগুটিৰে উপচি পৰি ঘৰে ঘৰে লখিমীৰ বসতি হোৱাৰ কামনা কৰে।

মূলতঃ কৃষিজীৱীসকলৰ চেনেহৰ এই বিহুত পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি আৰু আকাশবন্তি জ্বলাই সেৱা জনোৱা হয়।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালনৰ প্ৰস্তুতি চলিছে। কাতি বিহু উপলক্ষে গধূলি তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে ভঁৰালঘৰ, গোহালি, পদূলি আদিত চাকি বন্তি জ্বলাই কৃষিজীৱী ৰাইজে মংগল কামনা কৰিব।

কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ প্ৰতিটো কৃষি মহকুমাত কাতি বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি বিভাগৰ উদ্যোগত প্ৰগতিশীল কৃষকক সম্বৰ্ধনা, আকাশবন্তি প্ৰজ্বলন, সজাগতা সভা তথা বিভাগীয় আঁচনি সন্দৰ্ভত আলোচনা আৰু কৃষি সামগ্ৰী/কৃষি সঁজুলি আদিও বিতৰণ কৰা হ'ব।

০০০০০০

অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে দীপাৱলী উপলক্ষে জিলাসমূহত অহা ২১ অক্টোবৰত বন্ধৰ দিন ঘোষণা কৰিছে। কামৰূপ মহানগৰ, ডিব্ৰুগড়, হোজাই আৰু বজালী জিলাতো ২১ অক্টোবৰত দীপাৱলীৰ বাবে স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। হোজাইত সেইদিনা জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, বিত্তীয় প্ৰতিষ্ঠান আদি বন্ধ থাকিব। অৱশ্যে ইতিমধ্যে নিৰ্ধাৰিত বিদ্যালয় আৰু মহাবিদ্যালয়ৰ যিকোনো পৰীক্ষাৰ ক্ষেত্ৰত এই স্থানীয় বন্ধৰ কোনো প্ৰভাৱ নপৰিব বুলি হোজাইৰ জিলা আয়ুক্তই জাৰি কৰা এটা নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

০০০০০০

অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

মঙলদৈ মহাবিদ্যালয়ৰ উদ্যোগত কালি অনুষ্ঠিত ৩৫ সংখ্যক শ্বহীদ সোঁৱৰণি সদৌ অসম তৰ্ক প্ৰতিযোগিতাত গুৱাহাটীৰ জে বি আইন মহাবিদ্যালয়ে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। 'সদনৰ মতে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানক স্ব-শাসিত কৰাৰ বাবে উচ্চ শিক্ষাৰ গুণগত মানৰ উত্তৰণ হৈছে' - শীৰ্ষক বিষয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাখনত সদনৰ বিপক্ষে যুক্তি প্ৰদৰ্শন কৰি জে বি আইন মহাবিদ্যালয়ৰ অগস্তা কাশ্যপে একক শাখাত শ্ৰেষ্ঠ তাৰ্কিক হিচাপে বিবেচিত হয়। দলীয় শাখাত গুৱাহাটী বিশ্ববিদ্যালয়ে দ্বিতীয় আৰু নগাঁৱৰ ড° বি কে বি মহাবিদ্যালয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰে। প্ৰতিযোগিতাৰ অন্তত বিজয়ী দল আৰু প্ৰতিযোগীসকলক মানপত্ৰ, ট্ৰফী আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হয়।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পূব প্ৰান্তৰ অগৰাতলি বনাঞ্চল আজি পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হয়। বনাঞ্চলখনৰ আনুষ্ঠানিক মুকলি অনুষ্ঠানত মন্ত্ৰী অতুল বৰাৰ লগতে কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাও উপস্থিত থাকে। বনাঞ্চলখনত কেৱল জীপ ছাফাৰীৰহে ব্যৱস্থা থাকিব বুলি বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। আজি মুকলিৰ দিনা বহুসংখ্যক দেশীয় পৰ্যটকৰ লগতে কেইগৰাকীমান জাৰ্মান পৰ্যটকো উপস্থিত থাকে।

০০০০০